**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-02-2026
**Time :** 17-15 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। অসম দেশৰ ভিতৰতে দ্ৰুত বিকশিত ৰাজ্য হিচাপে পৰিগণিত হোৱা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিধানসভাত প্ৰকাশ।

২। দুদিনীয়া ভ্ৰমণসূচীৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ কাইলৈ অসম আগমন।

৩। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত শোণিতপুৰ, বিশ্বনাথ আৰু দৰং জিলাৰ মুঠ ৬ হাজাৰ ৫৬১ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ। **আৰু**

৪। বিধানসভাৰ নিৰ্বাচনৰ সময়ত হ'ব পৰা নীতি উলংঘন তথা আপত্তিজনক বাৰ্তা আদিৰ তথ্য দাখিলৰ বাবে কামৰূপ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ হেল্পলাইন নম্বৰ মুকলি।

০০০০০০০

অসম দেশৰ  ভিতৰতে সবাতোকৈ দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থা ৰূপে পৰিগণিত হোৱা বুলি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনৰ আজি অন্তিম দিনা ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় বিতৰ্কৰ উত্তৰ দি ডং শৰ্মাই কয়, যে ৫ বছৰত অসমৰ অৰ্থ ব্যৱস্থাৰ বিকাশৰ হাৰ ৪৫ শতাংশ হৈছে। তেওঁ লগতে ২০২৮ চনৰ ভিতৰত অসম ১০ লাখ কোটি টকাৰ অৰ্থনীতিত উপনীত হ'ব বুলি আশা প্ৰকাশ কৰে। ষষ্ঠদশ বিত্ত আয়োগৰ পৰামৰ্শ অনুযায়ী অসমে ২০২৭-২৮ বিত্তীয় বৰ্ষত কৰ হস্তান্তৰৰ অংশ হিচাপে বছৰি ৫০ হাজাৰ কোটি টকা লাভ কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এই ধনৰাশিয়ে ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ ১২ মাহে দৰমহা আৰু পেঞ্চন প্ৰদান কৰা হ'ব। তেওঁ কয় যে ৭০ বছৰত প্ৰথমবাৰলৈ সম্ভৱ হ'বলগীয়া এই পৰিঘটনাৰ পৰা অসম যে এতিয়া দেশৰ বোজা নহয়, সম্পদহে সেয়া স্পষ্ট হৈ পৰিছে।

বাইট ঃ মুখ্যমন্ত্ৰী

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে বিজেপি চৰকাৰ পুনৰ ক্ষমতালৈ আহিলে প্ৰথম তিনিবছৰত অকল শিক্ষা বিভাগত  ৫০ হাজাৰতকৈ অধিক চাকৰি প্ৰদান কৰা হ'ব।

তেওঁ কয়, যে ১০ দিনৰ ভিতৰত ১৫০ মেগাৱাট উৎপাদনক্ষম কপিলী জলবিদ্যুৎ প্ৰকল্প মুকলি হ'ব।

সদনত আজি বিৰোধী কংগ্ৰেছ আৰু ৰাইজৰ দলে ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগৰ ৬ জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত দাখিল কৰা পৰামৰ্শাৱলী কাৰ্যকৰীকৰণ সন্দৰ্ভত জানিব বিচাৰি প্ৰশ্ন উত্থাপন কৰে। এই

সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আয়োগৰ পৰামৰ্শ অনুসৰিয়েই চৰকাৰে বহুখিনি কাম কৰিছে আৰু আগলৈকো বাকী থকা কামখিনি কৰিব বুলি সদনক জনায়। এই ক্ষেত্ৰত ড০ শৰ্মাই বিৰোধীৰ সহযোগিতা কামনা কৰে। লগতে মুখ্যমন্ত্ৰীয়ে সদনৰ অন্তিম দিনা আজিহে কিয় বিষয়টো বিৰোধীয়ে উত্থাপন কৰিলে বুলি প্ৰশ্ন কৰে। কংগ্ৰেছ আৰু ৰাইজৰ দলৰ বিধায়কসকলে মুখ্যমন্ত্ৰী ড০ শৰ্মাই পোনপটীয়া উত্তৰ দিয়াৰ পৰা বিৰত থকা বুলি অভিযোগ তুলি সদন কক্ষ ত্যাগ কৰে। বিধানসভাত সম্প্ৰতি বিত্তমন্ত্ৰী অজন্তা নেওগে লেখানুদান সম্পৰ্কীয় বিতৰ্কৰ উত্তৰ দি আছে।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া অসম ভ্ৰমণসূচীৰে কাইলৈ শিলচৰত উপস্থিত হ'ব। শ্ৰীশ্বাহে কাইলৈ দিনৰ চাৰে ১০ বজাত তেওঁ কাছাৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী কাটিগড়াৰ নাটানপুৰ গাঁও পৰিদৰ্শন কৰিব। তেওঁ অবৈধ প্ৰব্ৰজন আৰু সীমান্তৰে চলা অপৰাধ নিয়ন্ত্ৰণৰ বাবে সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ অগ্ৰগতি আৰু সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে শিলচৰৰ পৰা ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায়ো আনুষ্ঠানিকভাৱে মুকলি কৰিব। কেন্দ্ৰীয় চৰকাৰৰ পুঁজিৰে ৰূপায়ণ কৰা এই উদ্যমৰ জৰিয়তে সীমামূৰীয়া গাঁওসমূহক অত্যাধুনিক পথ, দূৰসংযোগ আৰু বহনক্ষম কৰ্মসংস্থাপন সুযোগেৰে আত্মনিৰ্ভৰ কেন্দ্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। পৰহিলৈ তেওঁ গুৱাহাটীৰ সৰুসজাইত চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। কেন্দ্ৰীয় বাহিনীটোৱে এইবাৰ প্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত প্ৰতিষ্ঠা দিৱসৰ ৰাষ্ট্ৰীয় কুচ-কাৱাজৰ আয়োজন কৰিছে। শ্ৰীশ্বাহে লগতে সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বেটেলিয়নৰ নতুন ছাউনীৰ আধাৰশিলা স্থাপন কৰিব। গৃহমন্ত্ৰীগৰাকীৰ সোণাপুৰ ভ্ৰমণৰ পূৰ্বে কালি নিশা ১২ বজাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্ত্ৰী পীযূষ হাজৰিকাক লগত লৈ কচুতলীৰ অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণকালত বিজেপিৰ নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে।

ইপিনে, দুদিনীয়া কাৰ্যসূচীৰে কংগ্ৰেছ নেত্ৰী তথা নিখিল ভাৰত কংগ্ৰেছৰ নিৰীক্ষণ কমিটীৰ অধ্যক্ষা প্ৰিয়ংকা গান্ধী আজি গুৱাহাটীত উপস্থিত হৈছে। পুৱা কংগ্ৰেছ নেত্ৰীগৰাকীক বৰঝাৰ বিমান বন্দৰত দলীয় নেতা-কৰ্মীসকলে আদৰণি জনায়। সাংসদ গান্ধীয়ে বৰঝাৰ বিমান বন্দৰৰ পৰা পোনে পোনে কামাখ্যা মন্দিৰলৈ ৰাওনা হয় আৰু দেৱীৰ আশীষ গ্ৰহণ কৰে। ইয়াৰ পাছত তেওঁ ৰাজীৱ ভৱনলৈ আহি দলৰ বিভিন্ন পৰ্যায়ৰ বিষয়ববীয়াৰ সৈতে আলোচনাত মিলিত হয়। কংগ্ৰেছ নেত্ৰীগৰাকীয়ে ৰাজীৱ ভৱনৰ মানবেন্দ্ৰ শৰ্মা কমপ্লেক্সত দলৰ এখন সভাত অংশগ্ৰহণ কৰে। কাইলৈ তেওঁ গোটেই দিনটো দলৰ বিভিন্ন পৰ্যায়ৰ কৰ্মকৰ্তাৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি শোণিতপুৰ, বিশ্বনাথ আৰু দৰং জিলাৰ মুঠ ৬ হাজাৰ ৫৬১ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হয়। এই উপলক্ষে তেজপুৰৰ গড়দৌল কুমাৰগাঁৱত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি উদ্যোগীসকলৰ মাজত আঁচনিৰ ধনৰাশি বিতৰণ কৰে। সভাত উপস্থিত উদ্যোগীসকলক উদ্দেশ্যি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে যিসকল উদ্যোগীয়ে এই আঁচনিৰ অধীনত প্ৰথম পৰ্যায়ত এক লাখ টকা লাভ কৰি

ইয়াৰ সঠিক ব্যৱহাৰ কৰিছে তেওঁলোকে অতি সোনকালে দ্বিতীয় কিস্তিৰ এক লাখ টকাও লাভ কৰিব। প্ৰথম কিস্তিৰ ধন চৰকাৰক ঘূৰাই দিব নালাগে যদিও দ্বিতীয় কিস্তিৰ ধন ৫ বছৰৰ ভিতৰত চৰকাৰক ঘূৰাই দিব লাগিব বুলি তেওঁ কয়। অৱশ্যে ইয়াৰ বাবে হিতাধিকাৰীয়ে কোনো সুত দিব নালাগে বুলি তেওঁ প্ৰকাশ কৰে। এই আঁচনিৰ জৰিয়তে এগৰাকী ব্যক্তি সফল উদ্যোগী হোৱাটো সম্ভৱ বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়।

আনহাতে, এই আঁচনিৰ অধীনত কাইলৈ কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাৰ মুঠ ৭ হাজাৰ ২৭৩ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে শিলচৰৰ ৰামনগৰৰ আই এছ বি টিত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান আদি বিভাগৰ মন্ত্ৰী বিমল বৰা, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বৰাক উপত্যকা উন্নয়ন আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায় আৰু পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালেও এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০০০

আসন্ন অসম বিধানসভাৰ নিৰ্বাচনৰ সময়ত হ'ব পৰা নীতি উলংঘন তথা আপত্তিজনক বাৰ্তা আদিৰ তথ্য দাখিলৰ বাবে কামৰূপ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ে এটা হেল্পলাইন নম্বৰ মুকলি কৰিছে। ৯৭০৬৯-৪৪৪৫১ এই হেল্পলাইন নম্বৰলৈ যিকোনো ব্যক্তি বা দল-সংগঠনে আপত্তিজনক বাৰ্তা, ভিডিঅ' বা ফটো আদি প্ৰেৰণ কৰিব পাৰিব। প্ৰাপ্ত তথ্যৰ আধাৰত আৰক্ষীয়ে তদন্ত কৰি আইন অনুসৰি পদক্ষেপ ল'ব বুলি কামৰূপ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সঞ্জীৱ কুমাৰ শইকীয়াই আজি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে।

**বাইট (সঞ্জীৱ কুমাৰ শইকীয়া)**

০০০০০০

বিধানসভা নিৰ্বাচন শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যৰ বিভিন্ন স্থানত ই ভি এম আৰু ভিভিপেটৰ পৰীক্ষণ প্ৰক্ৰিয়া অব্যাহত আছে। তামুলপুৰ জিলাৰ অন্তৰ্গত ই ভি এম আৰু ভিভিপেটসমূহৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ প্ৰক্ৰিয়া অহা ২১ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হ'ব। ই ভি এম আৰু ভিভিপেটৰ পৰীক্ষণ সম্পূৰ্ণ হোৱাৰ পাছত তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা ষ্ট্ৰংৰুমত এইসমূহ ৰখা হ'ব।

০০০০০০

ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ ৰমজান মাহ আজি আৰম্ভ হৈছে। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আকাশত কালি সন্ধিয়া জোন দেখা পোৱাৰ পিছত আজিৰে পৰা ইছলাম ধৰ্মাৱলম্বী লোকসকলে তেওঁলোকৰ পৱিত্ৰ ৰমজান মাহ পালন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৱিত্ৰ ৰমজান উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে এই পৱিত্ৰ মাহে সমাজত একতাৰ এনাজৰী অধিক সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে সকলোৰে সুখ-সমৃদ্ধি কামনা কৰে। কেন্দ্ৰীয় হিলাল কমিটীয়ে কালি ৰমজানৰ কথা ঘোষণা কৰি অসমবাসীক শুভেচ্ছা জনাইছে। উল্লেখযোগ্য যে, ৰমজান হৈছে ইছলামিক কেলেণ্ডাৰৰ নৱম মাহ আৰু এই পৱিত্ৰ মাহৰ এমাহজোৰা উপবাসৰ অন্তত ঈদ-উল-ফিটৰ পালন কৰা হয়।

০০০০০০

অহা ২১ ফেব্ৰুৱাৰী শনিবাৰে নিশা ৮ বাজি ২ মিনিটৰ আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত ৰাজ্যৰ যশস্বী ভাস্কৰ্য শিল্পী, কলা নিৰ্দেশক সংগীত নাটক একাডেমী তথা পদ্মশ্ৰী সন্মানেৰে সন্মানিত নুৰুদ্দিন আহমেদৰ সৈতে হোৱা সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

ঃঃ সমাপ্ত ঃঃ